কৰ্ম মোৰ সংস্কৃতি

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ :
*Ref :*

তাৰিখ :
*Date* :

## Meeting of Assam Jatiya Bidyalay Education Council

**Guwahati, 29 April, 2019 :** Assam Jatiya Bidyalay Education Council (AJBEC) has organized a meeting of the delegates of various Jatiya Bidyalays of Assam which are involved with the genesis of Assam Jatiya Bidyalay movement, on 28 April, 2019 in the District Library, Guwahati. The main objective of the meeting was to discuss some very important educational and organizational aspects of AJBEC. The meeting started with the hoisting of the flag of the organization by the Chairman of AJBEC, Sri Ranjit Narayan Deka at 10 am. The coordinator of the AJBEC Ashim Krishna Baruah delivered the welcome address and expressed his gratitude to all the delegates for their support and co-operation for the successful completion of all the programmes of the Silver Jubilee Celebration of Assam Jatiya Bidyalay. Rabindra Barman, the Vice-principal of Assam Jatiya Bidyalay delivered a valuable speech where he dealt with all the new plans of AJBEC. As per the new plan, a list of Jatiya Bidyalays implementing the principles of AJBEC is proposed to be published every year for information of the public. This was followed by a lecture on the topic 'Pre-school education and Assam Jatiya Bidyalay' given by Smt. Nirmali Adhikary, retired teacher, Assam Jatiya Bidyalay. Some of the delegates also expressed their opinions. Another co-ordinator of AJBEC (teachers' training) Smt. Aparajita Dutta informed the delegates about the AJBEC teachers' training which will be held from 8th July to 13th July, 2019. The Secretary of AJBEC Dr. Narayan Sharma also delivered a valuable speech on the occasion. He urged all the delegates present, to be obliged to the ideology of AJBEC and to follow its ideals in letter and spirit, in order to be a part of the Assam Jatiya Bidyalay movement. The president of AJBEC Ranjit Narayan Deka also spoke a few words on the occasion. The Silver Jubilee souvenir, 'Alok Sandhani' was distributed among the delegates present in the programme. The meeting, where about 503 delegates from 330 Jatiya Bidyalays from across the state were present, came to an end with the offering of the vote of thanks by Vice-principal Smt. Aparajita Bora.

(Ghanashyam Medhi)
Principal
Assam Jatiya Bidyalay

অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020
কৰ্ম মোৰ সংস্কৃতি
☏ 0361-2557921 (Principal)
0361-2654229 (Office)
e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ :
*Ref :*

তাৰিখ :
*Date :*

# অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ প্ৰতিনিধিমূলক সভা

**গুৱাহাটী, ২৯ এপ্ৰিল, ২০১৯ :** আমবাৰীস্থিত জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত ২৮ এপ্ৰিল তাৰিখে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ প্ৰতিনিধিমূলক সভা অনুষ্ঠিত কৰা হয়। পুৱা ১০ বজাৰ লগে লগে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ অধ্যক্ষ শ্ৰীৰঞ্জিত নাৰায়ণ ডেকাই অসম জাতীয় বিদ্যালয়ৰ পতাকা উত্তোলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে। অজাবি শিক্ষা সংসদৰ সমন্বয়ক অসীম কৃষ্ণ বৰুৱাই অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ সকলো প্ৰতিনিধিকে আনুষ্ঠানিকভাৱে আদৰণি জনোৱাৰ লগতে অসম জাতীয় বিদ্যালয় আৰু জাতীয় বিদ্যালয় সত্তাৰ ৰূপালী জয়ন্তী উদ্‌যাপনত সহযোগিতাৰ বাবে ৰাজ্যৰ জাতীয় বিদ্যালয় জিলা সমন্বয়ৰক্ষী সমিতিসমূহৰ প্ৰতি কৃতজ্ঞতাসূচক বক্তব্য প্ৰদান কৰে। প্ৰতিনিধিমূলক সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে অসম জাতীয় বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে। ৰাজ্যখনৰ ৩২৮খন জাতীয় বিদ্যালয়ৰ প্ৰায় ৬০০ গৰাকী প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰা এই সভাত অসম জাতীয় বিদ্যালয়ৰ উপাধ্যক্ষ ৰবীন্দ্ৰ বৰ্মনে অজাবি শিক্ষা সংসদৰ শৈক্ষিক আৰু সাংগঠনিক কাৰ্যব্যৱস্থাৰ নতুন পৰিকল্পনা সন্দৰ্ভত এক বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানত অসম জাতীয় বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী নিৰ্মালী অধিকাৰীয়ে অসম জাতীয় বিদ্যালয়ৰ প্ৰাক্-বিদ্যালয় শিক্ষা সম্পৰ্কে এক মনোগ্ৰাহী বক্তৃতা প্ৰদান কৰে। সভাত উপস্থিত থকা অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ প্ৰতিনিধিসকলেও নিজ নিজ জিলাৰ জাতীয় বিদ্যালয়সমূহৰ শৈক্ষিক আৰু সাংগঠনিক কাৰ্যপন্থা সন্দৰ্ভত বক্তব্য দাঙি ধৰে। অজাবি শিক্ষা সংদৰ অধীনত অনুষ্ঠিত হ'বলগা ২০১৯ বৰ্ষৰ শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচী সন্দৰ্ভত প্ৰশিক্ষণৰ সমন্বয়ক অপৰাজিতা দত্তই কিছু কথা অৱগত কৰে। সভাত অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ সচিব ডা° নাৰায়ণ শৰ্মাই ভাষণ প্ৰদান কৰি কয় যে, মাতৃভাষা মাধ্যমৰ বিদ্যালয়সমূহে সততে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ নেওচি আগুৱাই যোৱাৰ ক্ষেত্ৰত মূল পাথেয় হ'ব জাতীয় বিদ্যালয়সমূহৰ সুষম নীতি আৰু আদৰ্শ। নীতিগত দৃঢ়তা আৰু বাস্তৱসন্মত কাৰ্যপদ্ধতিৰ মাজেৰে সমগ্ৰ জাতীয় বিদ্যালয় সত্তাক হাতে-হাত ধৰি অগ্ৰসৰ হ'বলৈ তেওঁ আহ্বান জনায়। প্ৰতিনিধিমূলক সভাখনৰ সভাপতিত্ব কৰে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ অধ্যক্ষ শ্ৰীৰঞ্জিত নাৰায়ণ ডেকাই। সভাত উপস্থিত থকা প্ৰতিগৰাকী ব্যক্তিকে কৃতজ্ঞতা জনাই শলাগৰ শৰাই আগবঢ়ায় অসম জাতীয় বিদ্যালয়ৰ উপাধ্যক্ষা অপৰাজিতা বৰাই। সদৌ শেষত জাতীয় সংগীত পৰিৱেশনেৰে সভাৰ কাৰ্যসূচীৰ অন্ত পেলোৱা হয়।

(ঘনশ্যাম মেধি)
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০
ফ'ন : ৯৭০৬০২৫১৬৭